SP 3173

সেউজ পত্ৰিকা
প্ৰকৃতি আৰু পৰিৱেশ বিষয়ক পত্ৰিকা
GREEN LETTER
22nd ISSUE
June, 2011
A JOURNAL ON ENVIRONMENT & NATURE

শগুণ বিশেষ সংখ্যা

# শগুণৰ গুণ-গান

*বিশ্বজিৎ গোস্বামী*



মানৱ শৰীৰটিৰ প্ৰতিটো অংগই যেনেদৰে অতি প্ৰয়োজনীয় আৰু মূৰৰ চুলিৰ পৰা আৰম্ভ কৰি ভৰিৰ তলুৱালৈকে থকা প্ৰতিটো অংগ সম্পূৰ্ণৰূপে কাৰ্য্যক্ষমহৈ থাকিলেহে এজন ব্যক্তিয়ে যেনেদৰে সকলো কাম সুস্থভাৱে কৰিব পাৰে, ঠিক তেনেদৰেই পৃথিৱীখনত থকা প্ৰকৃতিৰ নিজৰেই সৃষ্ট প্ৰতিটো অংশ (নৈ, বিল, জান, জুৰি, সাগৰ, মহাসাগৰ, পাহাৰ-পৰ্বত, দ্বীপ, মহাদেশ, মৰুভূমি, বৰফ, সকলোবোৰ জীৱ-জন্তু) সম্পূৰ্ণৰূপে কাৰ্য্যক্ষমহৈ থাকিলেহে পৃথিৱীখন সুস্থৰূপে জীয়াই থাকিব পাৰে। আমি মানুহবোৰে বসবাস কৰা এই পৃথিৱীখনৰ সুস্থতাৰ ওপৰতে আমাৰ শাৰিৰীক আৰু মানসিক সুস্থতাও নিৰ্ভৰ কৰে। পৃথিৱীখনত থকা গছ-গছনি, জীৱ-জন্তু সকলোটিয়ে এক সুনিৰ্দ্দিষ্ট ভূমিকা পালন কৰিবলৈকে সৃষ্টি হৈছে। লাগিলে তাৰ আকাৰ যিমানেই ক্ষুদ্ৰাতি ক্ষুদ্ৰ নহ'ওক কিয়। ইয়াৰে কিছুমান জীৱৰ দায়িত্বত থকা কাৰ্য্যখিনিৰ বাবে আকৌ বিকল্প জীৱৰ অনুপস্থিতিয়ে সেই জীৱবোৰৰ গুৰুত্ব বৃদ্ধি কৰিছে। তেনে এটি জীৱ হ'ল আমাৰ সকলোৰে পৰিচিত শগুণ। মৰাশ খাই ফুৰা এই পক্ষীটি, প্ৰকৃতিৰ চাফাই-কৰ্মী বুলিয়ে সৰ্বজন বিদিত। এই শগুণৰ বিষয়ে অনেকে জনা দুটি মান কথা পুনৰাই সন্মুখত দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো। প্ৰথমতে কবলৈ বিচাৰিছো — বহুতৰ মনত এনে এক ধাৰণা পোষণ কৰি ৰখাও সম্ভৱপৰ যে, শগুণ নহ'লেও অসুবিধা নাই। আমি গৰু-ম'হ আদিৰ মৰাশবোৰ সাৱধানতাৰে সৎকাৰ কৰিলেই হ'ল আৰু হাবি বননিত হায়েনা আদিৰ দৰে মৃতজীৱ [illegible] জন্তুবোৰ আছেই নহয়। সেই ক্ষেত্ৰত [illegible] উচ্চ আছিলহেঁতেন। পৰি থকা কুকুৰ আদিৰ মৰাশ কেইটাৰ কি হ'ব। [illegible]

পাচক ৰসে এনথ্রাক্স, কলেৰা আদিৰ দৰে বহুতো বীজাণু হজম কৰি পেলাব পাৰে। গতিকে শগুণ নোহোৱা হ'লে এই বীজাণুবোৰৰ পৰিমাণ বৃদ্ধি হ'ব। কাৰণ, মৰাশৰ ওপৰত এই বীজাণুবোৰ দ্রুত-গতিত বৃদ্ধি পায়। এই বীজাণু দমনৰ ক্ষেত্রত শগুণৰ আন এক বিশেষ ক্ষমতা আছে (এই ক্ষমতাটো কেৱল আমেৰিকাত পোৱা শগুণৰ ক্ষেত্রত প্রমাণিত হৈছে)। সেয়া হ'ল — শগুণটোৱে মৰাশ খাই থকা সময়ত ইয়াৰ ভৰিত লাগিব পৰা বীজাণুৰ পৰা পৰিত্রাণ পোৱাৰ বাবে ই নিজৰ ভৰিখনত প্রস্রাব কৰি দিয়ে আৰু ইয়াৰ মূত্রত থকা শক্তিশালী বীজাণুনাশকৰ প্রভাৱত লাগি অহা বীজাণুসমূহ মৰি যায়। শগুণে আহাৰ খাওঁতে তাৰ মূৰত বীজাণু লগি অহাৰ সম্ভাৱনীয়তাৰ প্রতি লক্ষ্য ৰাখিয়ে প্রকৃতিয়ে চাগে ইয়াক প্রায় টপা ৰূপ (মূৰত অতি কমকৈ পাখি থকা) এটা দিছে, যাতে বীজানুবোৰে খোপনি পুতিবৰ ঠাই নেপায় আৰু যি দুই এটাই মূৰত খোপনি লয়গৈ সেই কেইটাও কমকৈ পাখি থকা বাবে পোনপটীয়া সূৰ্য্যৰ প্রচণ্ড তাপত অতি সোনকালেই মৰি যায়।

শগুণে আহাৰ খাই থকাৰ সময়ত আন জন্তুয়ে আক্রমণ কৰিলে ই এক অতি ধুনীয়া কৌশল অৱলম্বন কৰি আক্রমণৰ পৰা হাত সাৰে। কৌশলটি হ'ল — শগুণটোৱে বমি কৰি খোৱা বস্তুখিনি উলিয়াই দিয়ে আৰু উৰি গুচি যোৱাৰ নিচিনাকৈ অলপ দূৰত গৈ বৈ থকে। ফলত খেদি অহা জন্তুটোৱে ছিঙি থৈ দিয়া আহাৰৰ সন্ধেদ পাই শগুণটোক খেদা বন্ধ কৰি খোৱাত ব্যস্ত হ'য়। আনহাতে, যদি আহাৰখিনি ইতিমধ্যে বেছিকৈ পাচন হৈ গৈছে, তেন্তে বমি কৰি উলিয়াই দিয়া আহাৰখিনিৰ পৰা ওলোৱা এক বিশেষ গোন্ধে খেদি অহা জন্তুটোক আঁতৰ কৰে। এই আহাৰখিনিৰ পৰা ওলোৱা গেছখিনিয়ে জন্তুটোৰ চকুত পোৰণিৰ সৃষ্টি কৰে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে, শগুণৰ মুঠতে ২৩ টা প্রজাতি পোৱা যায়। তাৰে ১৬ টা এছিয়া, আফ্রিকা, ইউৰোপ মহাদেশত ('ওল্ড ওৰ্ল্ডত') আৰু ৭ টা আমেৰিকা মহাদেশত ('নিউ ওৰ্ল্ডত')। এই দুই ভাগত বিভক্ত প্রজাতিবোৰৰ মাজত যথেষ্ট পাৰ্থক্য আছে। ওল্ড ওৰ্ল্ডৰ শগুণবোৰৰ ঘ্রাণশক্তি একেবাৰে কম আনহাতে নিউ ওৰ্ল্ডৰ শগুণবোৰৰ বেছিভাগৰে ঘ্রাণ শক্তি প্রখৰ। শগুণৰ দৃষ্টিশক্তিৰ প্রখৰতাৰ কথা সকলোৰে জ্ঞাত বুলিয়ে ক'ব পাৰি, ই প্রায় ৬.৫ কিলোমিটাৰ (প্রায় ৪ মাইল) দূৰৰ পৰাই মাত্র তিনি ফুট ডাঙৰ শবদেহ এটাও দেখা পায়। সেয়েহে, শগুণবোৰে জাক পাতি উৰি এক বৃহৎ অঞ্চলৰ সমূহীয়া জৰীপ কৰি থকাটো দেখিবলৈ পোৱা যায়। এনেদৰে ঘূৰণীয়াকৈ জাক পাতি উৰি থাকিলে তাঁহাতৰ শক্তিৰ খৰচো কম হয়।

পিছে অতি পৰিতাপৰ বিষয় এয়ে যে, শগুণৰ সংখ্যা বৰ্তমানে অতি দ্রুতগতিত কমি আহিব ধৰিছে। বিশেষকৈ, আমাৰ ভাৰতবৰ্ষত ইয়াৰ ক্রম-হ্রাসমান সংখ্যাটি অতি উদ্বেগজনক। ইয়াৰ বাবে ঘাইকৈ পোহনীয়া জন্তুৰ গাৰ বিষ কমাবৰ বাবে ব্যৱহাৰ কৰা ডাইক্লোফেনাক নামৰ ঔষধবিধে দায়ী বুলি ঠিৰাং কৰা হৈছে। পিছে চৰকাৰে এই ঔষধবিধৰ ব্যৱহাৰ অবৈধ বুলি কৰা ঘোষণা কৰাৰ পিছতো ইয়াৰ ব্যৱহাৰ প্রচুৰ পৰিমানে হৈয়ে আছে। এযোৰ শগুণে বছৰত মাত্র এটাকৈ কণী পৰাৰ বাবে ইয়াৰ প্রাকৃতিক বৃদ্ধিও কম হোৱাৰ প্রতি লক্ষ্য ৰাখি ইয়াৰ মৃত্যুৰ হাৰ কমাই অনাৰ চেষ্টাত সকলোকে অংশীদাৰ হ'বলৈ অনুৰোধ জনাইছোঁ।

সম্পাদকীয়

# প্ৰকৃতিৰ চিকিৎসক !

উষ্ণতা বৃদ্ধি, প্ৰদূষণ, প্ৰাকৃতিক দুৰ্যোগ, দুৰাৰোগ্য ব্যাধি, নিবনুৱা সমস্যা, সন্ত্ৰাসবাদীৰ সমস্যা, মূল্যবৃদ্ধি আদিয়ে জুৰুলা কৰা মানুহৰ সমাজখনৰ কথা চিন্তা নকৰি শগুণৰ কথা চিন্তা কৰি কিবা লাভ আছেনে ! এনে প্ৰশ্ন শুনিছো। মৰাশ খোৱা শগুণৰ মূল্য কি সেই বিষয়ে জানিব খোজা যথেষ্ট লোক আছে। সাধাৰণতে আমি সকলোবোৰ বিষয় মানুহৰ আৱশ্যকতাৰ দৃষ্টিভঙ্গীৰে ভাবো আৰু আমাৰ সাধাৰণ ধাৰণা যে পৃথিৱীখন মানুহৰ বাবেই সৃষ্টি হৈছে। সকলোবোৰ কল্যাণকামী কামকাজ কেৱল মানুহৰ বাবেই হ'ব লাগে। এজন মানুহৰ ওপৰত অত্যাচাৰ হ'লে তাৰ বিচাৰ কৰিবলৈ আছে অনেক আইন-কানুন। মানুহে কিন্তু জীৱ-জন্তুক অত্যাচাৰ বা হত্যা কৰাৰ ক্ষেত্ৰত আইন আছে যদিও তাৰ কাৰ্যকৰীকৰণ দুৰ্বল। মানুহৰ পৃথিৱীখনৰ ভাৰসাম্য ৰক্ষাৰ হকে যে বন্য জীৱ বিলাকে কিমান অৰিহণা যোগাইছে তাক জানি বিস্মিত হ'ব লাগে। মানুহৰ এই পৃথিৱীখনৰ ভাৰসাম্য ৰক্ষা কৰা জীৱ বিলাকৰ ভিতৰতে অন্যতম হৈছে শগুণ। শগুণক প্ৰাকৃতিক জামাদাৰ বুলি কোৱা হয়। মৰাশ বা পচাঁ জীৱদেহ খাই ই পৃথিৱীখন পৰিস্কাৰ কৰে। কিন্তু কথা সিমানেই নহয় । 'সেউজ পত্ৰিকা'ৰ এই সংখ্যাৰ মূল নিৱন্ধ লেখক বিশ্বজিৎ গোস্বামীয়ে উল্লেখ কৰিছে যে শগুণৰ পাচক ৰসে জীৱাণু হজম কৰিব পাৰে, ধ্বংস কৰিব পাৰে। শগুণৰ শৌচ- প্ৰস্ৰাৱতো আছে এনে জীৱাণুনাশক পদাৰ্থ। অৰ্থাৎ শগুণে মাথোন জামাদাৰৰ ভূমিকাই পালন নকৰে। শগুণে প্ৰাকৃতিক চিকিৎসকৰ ভূমিকাও পালন কৰে। আমি ডেটোল, ফিনাইল, ব্লিচিং পাউদাৰ যি যি উদ্যেশ্যে ব্যৱহাৰ কৰো - প্ৰকৃতিত সেই উ দেশ্যে শগুণৰ লেলাউটি, প্ৰস্ৰাৱ, শৌচ ব্যৱহাৰ হয়। হাবিৰ মাজত জীৱ বিলাকক নানাবিধ ৰোগে আক্ৰান্ত কৰাৰ পৰা ৰক্ষা কৰে শগুণে। মানুহকে ধৰি জীৱজগতত ৰোগ বিয়পোৱাত বাধা দিয়ে শগুণে। শগুণৰ ভূমিকা প্ৰকৃতিত এই খিনিতেই মহত্বপূৰ্ণ। কিন্তু এনে এক উপকাৰী পক্ষী সম্প্ৰতি পৃথিৱীৰ পৰা লুপ্ত হ'বলৈ ধৰিছে। পৃথিৱীৰ পৰা এই পক্ষী বিধৰ ৯৬ শতাংশই লুপ্ত হৈছে বুলি বৈজ্ঞানিকসকলে ঠাৱৰ কৰিছে। এনেদৰে যদি শগুণৰ সংখ্যা হ্ৰাস পাবলৈ হয় তেনেহলে এদিন হয়তো এই প্ৰাণীবিধ চিৰকাললৈ লুপ্ত হ'ব। তেতিয়া প্ৰকৃতিৰ মাজত কেতবোৰ দুৰাৰোগ্য ৰোগ নিয়ন্ত্ৰণ কৰাটো কঠিন হৈ পৰিব। শগুণৰ সংখ্যা হ্ৰাস পোৱাৰ লগে লগে জীৱ জগতত নানাবিধ অচিন ৰোগৰো প্ৰাদুৰ্ভাৱ ঘটিছে। এনেবোৰ ৰোগে প্ৰকৃতিৰ জৈৱ-বৈচিত্ৰ ধ্বংস কৰিবলৈ ধৰিছে। এই সকলোবোৰ জীৱৰ প্ৰতিৰক্ষাৰ বাবেই আমি শগুণ ৰক্ষা কৰিব লাগিব। শগুণ সংৰক্ষণ কৰিব লাগিব। ইতিমধ্যে বিজ্ঞানীসকলৰ উপৰিও সচেতন সমাজে শগুণ সংৰক্ষণৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। তেওঁলোক এই ক্ষেত্ৰত আগবাঢ়িও আহিছে। কিন্তু কিদৰে শগুণ সংৰক্ষিত হ'ব সেই বিষয়ে তেওঁলোক অৱগত নহয়। এইখিনিতে আমি জনাব খোজো যে বোম্বাই নেচাৰেল হিষ্টৰি চছাইটিয়ে ৰাইজলৈ এক গোহাৰি আগবঢ়াইছে। সেয়া হ'ল যদি কোনোবাই মৰা শগুণ

দেখা পায় তেনেহ'লে এই সন্দৰ্ভত তেওঁলোকক জনাব লাগে আৰু শগুণৰ শৱদেহটো লৈ যোৱাৰ ক্ষেত্ৰত সহায় কৰিব লাগে। তেওঁলোকৰ সৈতে যোগাযোগ কৰাৰ ফোন নম্বৰ হল - ০১৭৩৩-২৩২৯২২৪/২৬৪৪২৬। যিহেতু গৱেষকে শৱস্থলী আহি পাওঁতে যথেষ্ট পলম হ'ব সেইবাবে সংগ্ৰাহকজনে শৱদেহটো বায়ুশূন্য প্লাষ্টিকৰ পেকেটত ভৰাই, বৰফ দিয়া থাৰ্মোকুল বাকচত নিকপকপীয়াকৈ বান্ধিব লাগে আৰু শগুণটোৰ সম্পৰ্কে এই তথ্য জনাব লাগে -

(ক) শগুণৰ প্ৰজাতি (খ) সম্ভাব্য বয়স (গ) পোৱা স্থান (ঘ) পোৱা সময় আৰু (ঙ) সংগ্ৰাহকে জনা অন্যান্য তথ্য।

আমি সচেতন ৰাইজক গৱেষকৰ এই আহ্বানৰ প্ৰতি সহাঁৰি দিবলৈ অনুৰোধ কৰিলো আৰু প্ৰকৃতিৰ বুকুৰ পৰা হেৰাই যাব ধৰা এই পক্ষীবিধ ৰক্ষা কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনালো।

# গুপ্তচৰ বাহিনীত শগুণ

করুণা কান্ত শৰ্ম্মা

অসম আৰু অসমীয়াৰ লোক - সংস্কৃতি অতি বৰ্ণিল আৰু বিশাল। অসমৰ ভৌগোলিক পৰিমণ্ডলৰ অন্তৰ্গত পাহাৰ আৰু ভৈয়ামত বসবাস কৰা বিভিন্ন জাতি-জনজাতি আৰু উপজাতিৰ জনগোষ্ঠীসকলৰ মাজত জন্মৰ পৰা মৃত্যুলৈকে পাৰম্পৰিকভাৱে প্ৰচলিত হৈ অহা বিভিন্ন আচাৰ-ব্যৱহাৰ, সংস্কাৰ, ৰীতি-নীতি, উৎসৱ-পাৰ্বণ, ক্ৰিয়া-কলাপ, সাজেন্ন-কাচোন, খোৱা-লোৱা, গীত-মাত-নৃত্য-সাধুকথা, তন্ত্ৰ-মন্ত্ৰ, প্ৰৱাদ-প্ৰৱচন আদিয়ে অসমীয়া লোক-সংস্কৃতিৰ বৰ্ণাঢ্য আৰু বিস্তৃত স্বৰূপ প্ৰকাশ কৰাৰ সদৃশে; জৈৱবৈচিত্ৰেৰে গৰীয়সী আৰু ঐশ্বৰ্যশালী অসমৰ প্ৰকৃতি জগতৰ নদ-নদী, পাহাৰ-পৰ্বত, জান-জুৰি, হাবি-জংঘল, ফুল-ফল, গছ-বিৰিখ,জীৱ-জন্তু, সৰীসৃপ আৰু চৰাই-চিৰিকটিয়েও অসমৰ লোক-সংস্কৃতিৰ বিশাল প্ৰাঙ্গণত অতীজৰে পৰা বিশিষ্ট্যপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

ভাৰতবৰ্ষৰ জীৱ-জন্তু জগতৰ ভিতৰত পক্ষীজগত অতি বৈচিত্ৰ্যময় আৰু ঐশ্বৰ্যশালী। নৃতাত্বিক আৰু জীৱবিজ্ঞানীসকলৰ মতে প্ৰায় ১৪ কোটি বছৰ আগতে সৰীসৃপ বংশৰ পৰা পৃথিৱীত চৰাই জগতৰ উদ্ভৱ হয়। পৃথিৱীত আবিষ্কৃত পক্ষী জগতৰ সংখ্যা ৮,৬০০ প্ৰজাতিৰ। ইয়াৰ ভিতৰত আটাইতকৈ সৰু হামিং চৰাইটোৰ পৰা ১৩৫ কেজি ওজনৰ শকত আৰত উট চৰাইলৈকে অন্তৰ্ভুক্ত হৈছে পৃথিৱীৰ পক্ষীজগত। ভাৰতবৰ্ষত ১,২০০ প্ৰজাতিৰ পক্ষী আছে। ই পৃথিৱীৰ পক্ষী জগতৰ ১৪ শতাংশ। জলচৰ, স্থলচৰ চৰাই, ইহঁতৰ উপপ্ৰজাতি আৰু ভৌগোলিক প্ৰজাতিসমূহ ধৰিলে ভাৰতীয় চৰাই ২,০৬০ বিধমান হ'ব। ইয়াৰে ১,৭৫০ বিধ দেশী আৰু বাকীখিনি পৰিভ্ৰমী। কল্পনাতীত কালৰে পৰা ভাৰতীয় লোক-সাহিত্য, লোক-সংস্কৃতি, লোক-গীতি, সাধুকথা, তন্ত্ৰ-মন্ত্ৰ, প্ৰৱাদ-প্ৰৱচন, সাঁথৰ, ফকৰা-যোজনা, লোক-বিশ্বাস, লোকাচাৰ, কাহিনী-গীত, বেজ-বেজালী, বেদ-উপনিষদ, কাব্য-মহাকাব্য, পুৰাণ আদিত চৰাই-চিৰিকটিয়ে বিশেষ বিশিষ্ট্যপূৰ্ণ ভূমিকা আৰু স্থান দখল কৰি আহিছে।

সম্প্ৰতি গোলকীয় বিশ্বত শগুণৰ কদৰ আৰু বিশেষ ধৰণে বাঢ়িব যেন লাগিছে। অতি সম্প্ৰতি জাৰ্মান চৰকাৰে শগুণ পক্ষীক ডিটেক্‌টিভ হিচাপে আত্মসংস্থাপনৰ ব্যৱস্থাৰে নিয়োগ কৰিবলৈ সিদ্ধান্ত লৈছে। জাৰ্মান চৰকাৰৰ প্ৰতীৰক্ষা আৰু চোৰাংচোৱা বিভাগে সন্ত্ৰাসবাদী, কূটাঘাতকাৰী, বিচ্ছিন্নতাবাদী, চোৰ, ডকাইত, হত্যাকাৰী, ষড়যন্ত্ৰকাৰী আদি কাৰ্যৰ অনুসন্ধান, চিনাক্তকৰণ আৰু কাবায়ত্ব কৰাৰ ক্ষেত্ৰত দেশৰ আৰক্ষী তথা চোৰাংচোৱা বাহিনীক পথ প্ৰদৰ্শক হিচাপে সহায়ৰ হাত আগবঢ়োৱাৰ মানসেৰে শগুণ চৰাইক প্ৰশিক্ষণ দিবলৈ লৈছে। কিয়নো স্নিফাৰ কুকুৰতকৈ শগুণৰ ঘ্ৰাণ শক্তি আৰু দৃষ্টি শক্তি অত্যধিক বেছি আৰু তীব্ৰ বাবে যিকোনো অনুসন্ধানমূলক কাৰ্যত এইবিধ প্ৰাণীয়ে বেছি উপযুক্ত আৰু চোৰাংচোৱা বিভাগে সেই কাৰ্যত বেছি সফলকাম হোৱাৰ মানসেৰে প্ৰথম পদক্ষেপত চাৰিটামান শগুণ চৰাইক প্ৰশিক্ষণ দি সাজু কৰি উলিয়াইছে। যদিহে শগুণ চৰাইৰ ডিটেক্‌টিভ বাহিনীত জাৰ্মান চৰকাৰৰ আৰক্ষী আৰু চোৰাংচোৱা বাহিনী আশাপ্ৰদভাৱে সফল হয়, তেতিয়াহ'লে পৰৱৰ্তী কালত একবিংশ শতিকাৰ পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰত অনুসন্ধানমূলক আৰু কূটনৈতিক কাৰ্যত ইহঁতক নিয়োগ ব্যৱস্থাৰে প্ৰকৃতি জগতৰ প্ৰাকৃতিক জামাদাৰৰ সলনি এখনি গৌৰৱপূৰ্ণ আৰু সন্মানীয় আসনত অধীস্থিত হ'বলৈ সমৰ্থ হ'ব নিশ্চয়।




সাম্প্ৰতিক বিশ্বত এইবিধ অতি উপকাৰী পক্ষীয়ে আকৌ অসম তথা ভাৰতবৰ্ষত অতি দুষ্প্ৰাপ্য প্ৰাণী হিচাপে চিহ্নিত হৈছে। এই ক্ষেত্ৰত উৰ্দ্ধতন মহল আৰু বিভাগীয় কৰ্তৃপক্ষৰ আওহেলা, উদাসীনতা আৰু দায়িত্বহীনতাই চৰম কাৰণ বুলি বিবেচিত হৈছে। অবিবেচক জনসাধাৰণো এই ক্ষেত্ৰত একেবাৰে জগৰীয়া নহয় বুলি ক'ব নোৱাৰি। এই প্ৰসঙ্গত প্ৰকৃতি প্ৰেমী স্বেচ্ছাসেৱী সংগঠনসমূহ আৰু ভাৰতবৰ্ষৰ পক্ষী বিশেষজ্ঞবিদসকল সোচ্চাৰ হৈ উঠিছে যদিও এতিয়াও চৰকাৰী বিভাগসমূহৰ পৰা আশানুৰূপ সহাৰি পাবলৈ সমৰ্থ হোৱা নাই। চৰকাৰী কৰ্তৃপক্ষই অসমৰ কামৰূপ জিলাৰ ৰাণীত এটি কৃত্ৰিম শগুণ প্ৰজনন কেন্দ্ৰ স্থাপন কৰিছে যদিও; তাত হিতে বিপৰীত ফল প্ৰদান কৰাহে পৰিলক্ষিত হৈছে। মহামায়া বনাঞ্চলৰ ওখ ওখ শাল, চেগুন, চতিয়ান আদি গছত উপযুক্ত পৰিৱেশত স্বাভাবিকভাৱে শগুণৰ প্ৰজনন বৃদ্ধি হোৱা বুলি "অৰণ্য সুৰক্ষা সমিতি, অসম"ৰ সচিব প্ৰধান ড০ হৰিচৰণ দাসৰ তথ্যৰ পৰা জানিব পৰা গৈছে । এই ক্ষেত্ৰত কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ কৰণীয় যথেষ্ট আছে । কিয়নো দিনক দিনে দ্ৰুত হাৰত বিলুপ্তিৰ পথত অগ্ৰসৰ হোৱা শগুণ চৰাই কমি যোৱাৰ কাৰণসমূহ ক্ৰমাগত ভাৱে নিৰ্মূল কৰণেৰে আৰু প্ৰয়োজনীয় অভাৱখিনি পূৰণ কৰিলেহে পৃথিৱীৰ বুকুৰ পৰা নিঃশেষ হৈ যাব ধৰা বিৰল প্ৰজাতিৰ পক্ষীবিধৰ সংৰক্ষণ তথা বংশ বৃদ্ধি সম্ভৱপৰ হৈ উঠিব ।

■■

# মহামায়াৰ শগুণ সংৰক্ষণ আন্দোলন

প্ৰকৃতিষ কুমাৰ সাহা



প্ৰকৃতিৰ ৰক্ষক স্বৰূপ বাবে যে আজি বিশ্বজোৰা এক প্ৰয়োজন আহি পৰিছে এই কথা নিশ্চয়কৈ অনুভৱ কৰে। সাধাৰণতে থাকিলে প্ৰকৃতিৰ ৰক্ষক শগুণৰ নিবাৰণৰ বাবে । পিছে ক্ৰমান্বয়ে প্ৰাণীৰ শ্ৰেণীত অন্তৰ্ভুক্ত হৈছে শগুণ। যদিও আমাৰ অসমত দুইবিধ কলা আৰু বগাপিঠীয়া। বগা পিঠীয়া শগুণ। এইবিধ প্ৰাণীক সংৰক্ষণৰ বিজ্ঞান ভিত্তিক সজাগতাৰ প্ৰতিগৰাকী সচেতন প্ৰকৃতিপ্ৰেমীয়ে কোনো নিৰ্জন ঠাইত মৰাশ পৰি জাকে জাকে আগমণ ঘটে ক্ষুধা বিলুপ্ত হবলৈ ধৰা বৰ্তমান দুস্প্ৰাপ্য শগুণৰ প্ৰজাতি কেৰাবিধো আছে প্ৰজাতিৰ শগুণ প্ৰত্যক্ষ কৰা যায়। শগুণ লুপ্তপ্ৰায় । অসমতো এই বিধ প্ৰজাতিৰ শগুণ খুবেই কম দেখা যায় । সজাগতাৰ অভাৰ আৰু সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ জ্ঞান নথকা হেতুকে কেতবোৰ লোকে হেয় জ্ঞান কৰে এই বিধ প্ৰাণীক । কিন্তু উত্তৰ পূৰ্ব ভাৰতৰ আগশাৰীৰ পৰিৱেশ সংৰক্ষণকাৰী স্বেচ্ছাসেৱী সংগঠন অৰণ্য সুৰক্ষা সমিতি অসমে বি,টি,এ,ডি ৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বন সংমণ্ডলৰ এলেকাৰ মহামায়া সংৰক্ষিত বনাঞ্চলৰ বৃহৎ শালনিত থকা বগাপিঠীয়া শগুণ সংৰক্ষণৰ বাবে প্ৰত্যক্ষ ভাৱে ৰাইজক লৈ এক পৃথক ব্যতিক্ৰমী আন্দোলনৰ সূচনা কৰে । উল্লেখযোগ্য যে ৯৭৯৮ বৰ্গ কিঃমিঃ এলেকাৰ বিশাল মহামায়া সংৰক্ষিত বনাঞ্চলত বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণী, উদ্ভিদ, মূল্যবান গছ-গছনি, সৰীসৃপ, কীট পতংগ, আৰ্কিড আদিৰ আৱাসস্থল। উক্ত বনাঞ্চলখনক অভয়াৰণ্য ঘোষণা কৰিবলৈও প্ৰকৃতি সংস্থাটোৱে ক্ষেত্ৰভিত্তিত জৰীপ চলাই ইয়াক অভয়াৰণ্য ঘোষণাৰ দাবীত বনাঞ্চলৰ দাতি কাঁষৰীয়া প্ৰায় কেইবাহেজাৰ ৰাইজৰ গণস্বাক্ষৰ গ্ৰহণ কৰি ৰাষ্ট্ৰপতি, ৰাজ্যপাল, মুখ্যমন্ত্ৰী, বনমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰিছিল প্ৰায় এক দশক পূৰ্বেই । যত প্ৰথমে স্বাক্ষৰ কৰিছিল অসমৰ জননেতা ৰূপে পৰিচিত, প্ৰয়াত মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহই । বিভিন্ন জৈৱ-বৈচিত্ৰময়, প্ৰাকৃতিক ভাৱে সম্পদশালী এই বনাঞ্চলৰ ৩১নং ৰাষ্ট্ৰীয় ঘাই পথৰ সংযোগী পথত থকা ঐতিহ্যময় মা মহামায়া মন্দিৰলৈযোৱাৰ গড়কাপ্তানি পথৰ দুয়োকাষে সংৰক্ষিত শালনিৰ ওখ শাল-গছ আৰু অন্যান্য ওখ গছত উক্ত বগাপিঠীয়া শগুণে নিৰাপদে আশ্ৰয় লৈ ইয়াৰ বংশ বৃদ্ধি কৰি আছে। পশুধনৰ চিকিৎসাত বিষ নাশক দৰৱ ব্যৱহাৰ কৰিলে আৰু সেই পশুধনৰ মৃত্যু হলে, এনে মৃত পশু ভক্ষণ কৰিলে, শগুণৰ এক বিশেষ ধৰণৰ বেমাৰ হয় আৰু মৃত্যু মুখত পৰে। পৰ্বতঝোৰাৰ মহামায়াৰ বিশ্বৰ বিলুপ্ত প্ৰজাতিৰ শগুণ থকাৰ কথা মহামায়াবাসীয়ে ইমানদিনে জ্ঞাত নাছিল । মহামায়াক সংৰক্ষণৰ আন্দোলনৰ সূচনাকাৰী অৰণ্য সুৰক্ষা সমিতিয়ে ২০০৭ চনত প্ৰথম বাৰৰ বাবে বগাপিঠীয়া শগুণ মহামায়াত থকাটো নিশ্চিত কৰি ৰাইজৰ মাজত সজাগতা আনে। প্ৰথমাৱস্থাত মহামায়াত পৰিৱেশ আন্দোলন সৃষ্টি কৰি উক্ত লুপ্ত প্ৰজাতিৰ প্ৰাণীবিধক সংৰক্ষণৰ বাবেও পৰিকল্পনা কৰি নিজাববীয়া অধ্যয়ণ চলাই যোৱাৰ ফল স্বৰূপে শগুণবিধ বৃদ্ধি পোৱাটো পৰিলক্ষিত হয় । পিছত ২০০৯ চনত মহামায়াৰ ৰাজাপাৰা বন বীট কেম্পত স্থানীয় বিশিষ্ট ব্যক্তি সংবাদকৰ্মী, পৰিৱেশ কৰ্মী সকলক লৈ এখনি শগুণ সংৰক্ষণ সমিতিও পৃথককৈ গঠন কৰি

ৰাইজৰ মাজত ব্যাপক সজাগতা আনে। ২০১০ চনত প্ৰথমবাৰৰ বাবে অঞ্চলটোত ক্ষেত্ৰভিত্তিক জৰীপ চলাই প্ৰায় ২৫ টাতকৈ অধিক বগাপিঠীয়া শগুণ থকাটো প্ৰায় নিশ্চিত কৰে ।

চলিত বছৰৰ ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহৰ পৰা মে' মাহলৈ চাৰিটা পৰ্য্যায়ত অৰণ্য সুৰক্ষা সমিতিৰ দ্বাৰা চলোৱা জৰীপত ৩৬ টা বগাপিঠীয়া শগুণ প্ৰত্যক্ষ কৰাত শগুণ সংৰক্ষণৰ আন্দোলনৰ সাৰ্থকতা উপলব্ধ কৰে প্ৰকৃতি সংস্থাটোৱে । নিশ্চয়কৈ এয়ে প্ৰকৃতিপ্ৰেমীৰ বাবে সুখবৰ যে সজাগতা আৰু সংৰক্ষণৰ আন্দোলনলৈ দিয়া সহাঁৰিয়ে বিশ্বৰ লুপ্ত প্ৰায় প্ৰাণী বগাপিঠীয়া শগুণৰ বৃদ্ধিত সহায় কৰিছে। ৪ৰ্থ পৰ্য্যায়ৰ শগুণৰ জৰীপ কাৰ্য্যসূচীৰ অন্তিম দিনা (১১, মে ত) এছিয়া মহাদেশৰ একমাত্ৰ হস্তীবিশাৰদ প্ৰকৃতিবিদ পাৰ্বতী বৰুৱাই মহামায়াত উপস্থিত হৈ অৰণ্য সুৰক্ষাৰ এনে ব্যতিক্ৰমী প্ৰচেষ্টাক প্ৰশংসা কৰে। লগতে মহামায়াবাসীকো অভিনন্দন জ্ঞাপন কৰে। উক্ত প্ৰাণীবিধক অধিক সুৰক্ষিত আৰু বংশ বৃদ্ধি কৰিবলৈ চৰকাৰে মহামায়াত এটি শগুণৰ গৱেষণা কেন্দ্ৰ স্থাপন কৰিব বুলি প্ৰকৃতি প্ৰেমী সকলে আশাব্যক্ত কৰিছে। ৰাইজে এই আন্দোলনৰ ধাৰাবাহিকতা অটুট থকাটো প্ৰয়োজন বুলি বিবেচনা কৰিছে।

■■


# Aranya Suraksha Samiti-Assam organised vulture census at Mahamaya Reserve Forest

Green Letter - Reporter

Aranya Surakha Samiti, Assam organised vulture census at Mahamaya reserve Forest of Kokrajhar Dist. from February- 4th to 12th May,2011 under the supervision of Dr. Hari Charan Das, Secretary General of Aranya Suraksha Samiti-Assam. The census was organised in four phases in last four months. World famous lady elephant specialist from Gauripur Mrs. Parboti Barua inspected and visited the area of vulture census in the last phase. She congratulated the activities of Aranya Suraksha Samiti-Assam for such a noble work for conservation of this rare bird. According to the census report, Mahamaya reserve forest has 36 numbers of white backed vulture. Only a few hundreds of this white backed vulture are available in the country and the scientist community is in great concern regarding un-availability of this species. Aranya Suraksha Samiti-Assam demands to build up a conservation cum Research centre for vulture at Mahamaya reserve forest.

# সমূহ নৱাগত বিদ্যাৰ্থীলৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা যাচিছোঁ।

বিলাসীপাৰা
মহাবিদ্যালয় গ্ৰন্থাগাৰ
অধ্যয়ণ চক্ৰ।



*GREEN LETTER OR SEUJ PATRIKA, an environmental Journal Published by Bilasipara College Library Study Circle in collaboration with Aranya Suraksha Samiti, Assam.*
*Address for Communication :- Bilasipara College Library, Bilasipara Dist. Dhubri (Assam) 783348*

**Price - Rs. 5/-**

Editor - Dr. Hari C. Das (Hon.)
Dial : 94351-25822 (M)

PRINTED BY - GOPI OFFSET PRESS,G.B. LAXMI COMPLEX, BILASIPARA M... ...5565